আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, JANUARY 11, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১৭ Guwahati, Assam ।। মূল্যঃ এটকা

# অসমৰ ‘ডুপ্লিকেট মাল’ ড° হীৰেন গোহাঁইঃ মুখ্যমন্ত্ৰী

## ■ যুৱ শক্তিক ধ্বংস কৰিছে গোহাঁইয়ে!





তেওঁ আছে নেকি এতিয়াও? তেওঁ ক’ত আন্দোলন কৰিব? অসমত আছুৰ নেতৃত্বত আন্দোলন হয়। অখিল গগৈৰ নেতৃত্বতো আন্দোলন হয়। হীৰেন গোহাঁইৰ নেতৃত্বত আন্দোলন হয় বুলি মই কিন্তু ৫৫ বছৰে শুনা নাই। তেওঁ আন্দোলনৰ দায়িত্ব নলয়। তেওঁ ঘৰত ব্ৰেড-ব্ৰেকফাষ্ট খাই ধুনীয়াকৈ থাকে। বেছি কষ্ট হ’লে বিদেশত থকা জীয়েকৰ ঘৰলৈ গুছি যায়।

বিতং বাতৰি ২নং পৃষ্ঠাত



# এলাগী! এবাৰো সোণোৱালৰ নাম নোলোৱাকৈ নাড্ডাই এৰিলে গুৱাহাটী



## ■ আসনক লৈ এইবাৰ বিজেপিত লাগিছে আউল! অতুল-প্ৰমোদক লাগে ৩খন আসন।

বিতং বাতৰি ৩নং পৃষ্ঠাত

# আকৌ হীৰেন গোহাঁইৰ প্ৰতি তাচ্ছিল্যসূচক মন্তব্য মুখ্যমন্ত্ৰীৰ

## ■ ড° গোহাঁইক ডুপ্লিকেট মাল আখ্যা
## ■ হীৰেন গোহাঁইয়ে আজিলৈ আন্দোলন কৰি পোৱা নাই বুলি দাবী
## ■ আছু, অখিলক ন্যায্যতা প্ৰদান হিমন্তৰ



### বেছি কষ্ট হ’লে বিদেশত থকা জীয়েকৰ ঘৰলৈ গুছি যায় হীৰেন গোহাঁইঃ মুখ্যমন্ত্ৰী

**ই-সংবাদ, গুৱাহাটী, ১১ জানুৱাৰীঃ** চিন্তাবিদ তথা বিশিষ্ট বুদ্ধিজীৱী হীৰেন গোহাঁইক ‘মাল’ বুলি সম্বোধন কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ আদৰ্শ আৰু বিচাৰধাৰা সুকীয়া হোৱা বাবেই ৰাজ্যখনৰ ৮৫ বছৰীয়া এগৰাকী অগ্ৰজ লোকৰ প্ৰতি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কৰা নিকৃষ্ট তথা তৃতীয় শ্ৰেণীৰ অপমানসূচক মন্তব্যক এতিয়া সহজে ল’ব পৰা নাই সচেতন মহলে। তাৎপৰ্যপূৰ্ণ যে বিজেপি দলৰ পৰা অসমৰ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হোৱা প্ৰথমগৰাকী নেতা সৰ্বানন্দ সোণোৱালে আদৰ্শ সুকীয়া হোৱা সত্বেও হীৰেন গোহাঁইৰ জ্ঞান, অভিজ্ঞতা আৰু পাণ্ডিত্যৰ প্ৰতি শ্ৰদ্ধাশীল আচৰণ কৰা দেখা গৈছিল৷ ২০১৮ চনত লোকসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত জন সম্পৰ্ক ৰক্ষা কাৰ্যসূচী ঘোষণা কৰিছিল৷ চিন্তাবিদ তথা বিশিষ্ট বুদ্ধিজীৱি হীৰেন গোহাঁইৰ ঘৰলৈ গৈ অসমত এই কাৰ্যসূচীৰ শুভৰাম্ভ কৰিছিল তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে৷ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে গৈছিল তেতিয়াৰ ৰাজ্যিক বিজেপিৰ সভাপতি ৰণজিৎ দাস৷ সেই সময়তো হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল হীৰেন গোহাঁইক৷ কিয়নো তেতিয়া নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে কৰা আন্দোলনৰ ভৰপক সময় আছিল৷ নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰা হীৰেন গোহাঁইৰ ঘৰলৈ গৈ বিজেপিৰ কাৰ্যসূচীৰ শুভৰাম্ভ কৰা হৈছিল৷ বিজেপি বিৰোধী তথা চৰকাৰ বিৰোধী হীৰেন গোহাঁইৰ জ্ঞান, প্ৰজ্ঞা আৰু পাণ্ডিত্যক শ্ৰদ্ধা জনাই সৰ্বানন্দ সোণোৱালে গোহাঁইৰ ঘৰলৈ গৈছিল৷ কিন্তু একেটা দলৰে নেতা তথা বৰ্তমানৰ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চিন্তাবিদ গোহাঁইক অতি তাচ্ছিল্যসূচকভাৱে ‘মাল’ বুলি সম্বোধন কৰিবলৈকো কুণ্ঠাবোধ কৰা নাই৷ মুখ্যমন্ত্ৰীগৰাকীৰ বক্তব্য ছ’চিয়েল মিডিয়াত ভাইৰেল হৈ পৰাৰ লগে লগে এয়া হীৰেন গোহাঁইক কৰা অপমান নে জাতিটোক কৰা অপমান সেই কথা বিজেপিয়েহে ক’ব পাৰিব বুলি ভিন্নজনে মন্তব্য কৰা দেখা গৈছে ৷ উল্লেখ্য যে, ৰাজ্যত পুনৰ নাগৰিকত্ব আইনৰ বিৰুদ্ধে আন্দোলন হ’ব বুলি কোৱাৰ পাছতে ড০ হীৰেন গোহাঁইক আক্ৰমণৰ লক্ষ্য কৰি লয় মুখ্যমন্ত্ৰীগৰাকীয়ে৷ হীৰেন গোহাঁইয়ে যুৱ প্ৰজন্মক ধ্বংস কৰি সদায় সুৰক্ষিত স্থানত থাকে বুলিও কটাক্ষ কৰে মুখ্যমন্ত্ৰীয়ে৷ আজি সাংবাদিকৰে মুখামুখি হোৱাৰ সময়ত সাংবাদিকে হীৰেন গোহাঁইক লৈ সোধা প্ৰশ্নৰ উত্তৰ দি তেওঁৰ দৰে ডুপ্লিকেট ‘মাল’ আজিলৈকে দেখা নাই বুলি নিম্ন ৰুচিসূচক মন্তব্য প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। আনহাতে হীৰেন গোহাঁইৰ বিৰুদ্ধাচৰণ কৰিবলৈ গৈ আছু, জাতীয়দাবাদী যুৱ-ছাত্ৰ পৰিষদ আৰু অখিল গগৈকো একপ্ৰকাৰ সমৰ্থন কৰিবলৈ উদ্যত হোৱা দেখা গ’ল মুখ্যমন্ত্ৰীগৰাকীক৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হীৰেন গোহাঁই সন্দৰ্ভত কয়, "তেওঁৰ দৰে ডুপ্লিকেট মাল মই আজিলৈ দেখা নাই৷ তেওঁ আছে নেকি এতিয়াও৷ তেওঁ ক’ত আন্দোলন কৰিব৷ আছুৰ নেতৃত্বত আন্দোলন হয়৷ যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বত আন্দোলন হয়৷ অখিল গগৈৰ নেতৃত্বতো আন্দোলন হয়৷ হীৰনে গোহাঁইৰ নেতৃত্বত আন্দোলন হয় বুলি মই কিন্তু ৫৫ বছৰে শুনা নাই৷ আপোনালোকে কৰবাত দেখিছে নেকি? তেওঁ আন্দোলনৰ দায়িত্ব নলয়৷ তেওঁ ঘৰত ব্ৰেড-ব্ৰেকফাষ্ট খায় ধুনীয়াকৈ থাকে৷ হীৰেন গোহাঁয়ে যুৱ শক্তিক ধ্বংস কৰি থাকে৷ তেওঁ সদায়েই আটাইতকৈ সুৰক্ষিত জাগাটোত থাকে৷ বেছি কষ্ট হ’লে বিদেশত জীয়েকৰ ঘৰলৈ গুছি যায়৷ তেওঁৰ গোটেই বুৰঞ্জীটোৱে এইটো৷ তেওঁক কোনটো আন্দোলনত দেখিছে? কেতিয়াবা পুলিচৰ মাৰ খাই পাইছে নেকি তেওঁ?” আনহাতে হীৰেন গোহাঁইৰ বাতৰি প্ৰচাৰ কৰি সংবাদ মাধ্যমে সময়বোৰ অযথাকৈ নষ্ট কৰি আছে বুলিও কটাক্ষ কৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই৷

# সোণোৱাল অবিহনে অসমত দুদিন থাকি গ’ল জে পি নাড্ডা

## ■ বিটিআৰক লৈ অস্বস্তিত বিজেপি
## ■ ইউপিপিএলক লাগে কোকৰাঝাৰ



**ই-সংবাদ, ১১ জানুৱাৰীঃ** অসমৰ ৰাজনীতিত এতিয়া এলাগী হৈ পৰিছে নেকি প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল? শেহতীয়াকৈ বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নাড্ডাই দুদিনীয়া অসম ভ্ৰমণ সামৰি দিল্লীলৈ ওভতাৰ পিছতে অসমৰ ৰাজনৈতিক মহলত এই প্ৰশ্নৰ অৱতাৰণা কৰিছে বিভিন্নজনে। বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষগৰাকীৰ অসম ভ্ৰমণৰ সময়ত অসমত উপস্থিত নাছিল প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱাল। সমান্তৰালভাৱে নাড্ডাৰ ভাষণতো এবাৰলৈকো উচ্চাৰিত নহ’ল সোণোৱালৰ নাম। এনে পৰিপ্ৰেক্ষিতত অসম বিজেপিৰ ৰাজনীতিত এতিয়া সৰ্বানন্দ সোণোৱাল এক অপ্ৰাসংগিক বিষয় হৈ পৰাৰ সন্দেহ প্ৰকাশ কৰিছে ৰাজনীতিৰ ভু ৰখা মহলে। উল্লেখ্য যে, দুদিনীয়া কাৰ্য্যসূচীৰে অসম ভ্ৰমণৰ সময়ত জে পি নাড্ডাই বিজেপিৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ উদ্দেশ্যে অসম ৰাজ্যিক সমিতিৰ শীৰ্ষ নেতৃত্বৰ সৈতে এক সভা অনুষ্ঠিত কৰে। সমান্তৰালভাৱে অসম ৰাজ্যিক সমিতিৰ নিৰ্বাচনী সমিতিৰ সৈতেও বিশেষ বৈঠকত মিলিত হয় গেৰুৱা শিবিৰৰ ৰাষ্ট্ৰীয় অধ্যক্ষগৰাকী। ইয়াৰোপৰিও জে পি নাড্ডাই অসম বিজেপিৰ সহযোগী দল অগপ আৰু ইউপিপিএলৰ নেতাক সাক্ষাৎ কৰে৷ অগপৰ সভাপতি অতুল বৰাই জে পি নাড্ডাক সাক্ষাৎ কৰি লোকসভা নিৰ্বাচনকেন্দ্ৰীক আলোচনাত মিলিত হয়৷ এই আলোচনাৰ মাজতে আগন্তুক লোকসভা নিৰ্বাচনত অতুল বৰাই উজনিৰ এটা আৰু নামনিৰ এটা সংসদীয় সমষ্টি দাবী কৰা বুলি সূত্ৰৰ পৰা জানিব পৰা গৈছে৷ আনহাতে ইউপিপিএলৰ প্ৰধান প্ৰমোদ বড়োৱে বিটিআৰ এলেকাত বিজেপিৰ তৎপৰতা বৃদ্ধি আৰু সহযোগী দলক মৰ্যাদা প্ৰদানৰ বিষয়টো উত্থাপন কৰে৷ প্ৰমোদ বড়োৱে কোকৰাঝাৰ সমষ্টি ইউপিপিএলক এৰি দিবলৈও দাবী উত্থাপন কৰা বুলি সূত্ৰটোৱে দাবী কৰিছে৷ নাড্ডাৰ এই ভ্ৰমণসূচীত ছাঁৰ দৰে সংগ দিয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে ৰাজ্যিক বিজেপিৰ নেতৃত্বই। বিমান বন্দৰৰ পৰা আদৰণি জনোৱাৰ পৰা একেখন গাড়ীত উঠি ৰোড শ্ব’ কৰালৈকে প্ৰতিটো মুহূৰ্ততে বিজেপিৰ বিশ্বাসভাজন হৈ জে পি নাড্ডাক সংগ প্ৰদান কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। কিন্তু নাড্ডাৰ এই অসম ভ্ৰমণৰ সময়ত গুজৰাটত ব্যস্ত আছিল কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষগৰাকীয়ে কাৰ্যনিৰ্বাহক সভাত দিয়া ভাষণৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসাৰে উপচাই পেলায় যদিও এবাৰলৈও তেওঁ উচ্চাৰণ নকৰিলে সোণোৱালৰ নাম। এনে পৰিপ্ৰেক্ষিতত অসম বিজেপিত এতিয়া সৰ্বানন্দ সোণোৱালে প্ৰাসংগিকতা হেৰুৱাই পেলাইছে বুলিও আক্ষেপ ব্যক্ত কৰিছে ৰাজ্যিক বিজেপিৰ পুৰণি নেতাই। প্ৰণিধানযোগ্য যে, ২০২১ চনত মুখ্যমন্ত্ৰীৰ আসন হিমন্ত বিশ্ব শৰ্মাক সপি দিল্লীৰ ৰাজনীতিত প্ৰৱেশ কৰিছিল সৰ্বানন্দ সোণোৱালে। সেই সময়তো তেওঁক অসম এৰিবলৈ বিজেপিৰে শীৰ্ষ নেতৃত্বই বাধ্য  কৰোৱাৰ অভিযোগ উত্থাপন হৈছিল। সোণোৱালৰ দিল্লী গমণৰ পিছতে ৰাজ্যিক বিজেপিৰ সম্ৰাটস্বৰূপ হৈ পৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। চৰ্চা অনুসৰি, ৰাজ্যিক বিজেপিত এতিয়া সৰহভাগেই হৈছে মুখ্যমন্ত্ৰী শৰ্মাৰ ঘনিষ্ঠ আৰু বিশ্বাসভাজন। ইয়াৰ বিপৰীতে অতি নগণ্যসংখ্যকহে এনে লোক ৰৈ গৈছে যিয়ে আজিও সৰ্বানন্দ সোণোৱালৰ প্ৰতি অনুগত্য প্ৰকাশ কৰে। লাহে লাহে অসমৰ ৰাজনীতিত ক্ষমতাহীন হৈ পৰা সৰ্বানন্দ সোণোৱালৰ প্ৰতি অনুগত্য দেখুওৱা মন্ত্ৰীয়ে নিজৰ বিভাগৰ বিষয়া এজনকো বদলি কৰাৰ ক্ষমতা বৰ্তমান নাই বুলিও অভিযোগ উঠিছে। ইফালে একাংশৰ মতে, অসমৰ ৰাজনীতিত হিমন্ত বিশ্ব শৰ্মা থকালৈকে সৰ্বানন্দ সোণোৱালৰ প্ৰভাৱ সম্ভৱ হৈ কেতিয়াও নুঠে। যেতিয়ালৈ হিমন্ত বিশ্ব শৰ্মাই স্ব-ইচ্ছাই অসমৰ ৰাজনীতি এৰি দিল্লীলৈ নাযায় তেতিয়ালৈকে তেঁৱেই সৰ্বেসৰ্বা হৈ থাকিব বুলিও একাংশই দাবী কৰে। সোণোৱালক উফৰাই মুখ্যমন্ত্ৰীৰ গাদীত বহা হিমন্ত বিশ্ব শৰ্মাই সহজে অসমৰ ৰাজনীতি নেৰে বুলিও চলিছে চৰ্চা। কিন্তু অসমৰ ৰাজনীতি বাদেই, খোদ বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষৰ মুখতো সোণোৱালৰ নাম এবাৰ কিয় নোলাল, তাক লৈহে একাংশই এতিয়া প্ৰশ্ন উত্থাপন কৰা দেখা গৈছে।

# মণিপুৰত আকৌ গুলীয়াগুলী, চাৰি নিৰীহে হেৰুৱালে প্ৰাণ

**ইম্ফল, ১১ জানুৱাৰীঃ** হিংসা আৰম্ভ হোৱাৰ ৮ মাহ পাছতো নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে মণিপুৰলৈ শান্তি উভতাই আনিবলৈ সক্ষম হোৱা নাই। ৰাজ্যখনৰ বিজেপি চৰকাৰো শান্তি-শৃংখলা বজাই ৰখাত এশ শতাংশ বিফল হৈছে। ফলত নিতৌ হিংসা সংঘটিত হোৱাত নিৰীহৰ প্ৰাণ গৈয়ে আছে। কেন্দ্ৰীয় চৰকাৰ আৰু মণিপুৰ চৰকাৰে ৰাজ্যখনৰ হিংসাত্মক পৰিস্থিতিক গুৰুত্ব প্ৰদান নকৰাৰ ফলতে হিংসা হ্ৰাস পোৱাৰ নাম নোলোৱা বুলি অভিযোগ উত্থাপন হৈ অহাৰ সময়তে ১০ জানুৱাৰীত পুনৰ ৪গৰাকী নিৰীহে প্ৰাণ হেৰুৱাইছে। অস্ত্ৰৰে সু-সজ্জিত দুই গোটৰ মাজত লগা সংঘৰ্ষত চাৰিগৰাকীকৈ লোকে প্ৰাণ হেৰুৱাইছে। বিষ্ণুপুৰ আৰু চুৰাচান্দপুৰ জিলাৰ সীমাৰ হাওটাকফেলেন গাঁৱত এই হিংসা লাগে। ১০ জানুৱাৰীৰ আবেলি প্ৰায় ৩ বজাত চুৰাচান্দপুৰ জিলাৰ হাওটাকফেলেন গাঁৱত গুলীয়াগুলী লাগিছিল। বিষ্ণুপুৰ হৈছে মেইটেই জনজাতি অধ্যুষিত আৰু চুৰাচান্দপুৰ হৈছে কুকি জনজাতি অধ্যুষিত জিলা। চুৰাচান্দপুৰ জিলাৰ সদৰৰ পৰা ৩৭ কিলোমিটাৰ দূৰত্বৰ হাওটাকফেলেন গাঁৱৰ ঘন জংঘলত দুয়োটা গোটৰ মাজত দীৰ্ঘসময় গুলীয়াগুলী লগাৰ অন্তত চাৰিটাকৈ গুলীবিদ্ধ মৃতদেহ উদ্ধাৰ হয়। অভিযোগ মতে, হাওটাকফেলেন গাঁৱৰ জংঘলত সমীপৱৰ্তী তাম্ফা খুনু নামৰ গাঁৱৰ লোকে অবৈধভাৱে কাঠ কাটিবলৈ আশ্ৰয় লৈছিল। হাওটাকফেলেন গাঁৱৰ স্বেচ্ছাসেৱকসকলে অৰণ্যত গছ কাটি থকা কাগুত বাধা দিবলৈ প্ৰয়াস কৰে। ফলত দুয়ো পক্ষৰ মাজত দীৰ্ঘ সময় গুলীয়াগুলী লাগে। তাম্ফা খুনু গাঁৱৰ চাৰিজন লোক নিহত হৈছে। ইতিমধ্যে অইনাম ৰোমেন মেইটেই, অহনথেম দাৰা মেইটেই, থৌদাম ইবোমচা মেইটেই আৰু থৌদাম আনন্দ মেইটেইৰ মৃতদেহ উদ্ধাৰ কৰি চিনাক্ত কৰা হৈছে। হাওটাকফেলেন গাঁৱৰ কোনো লোক হতাহত হোৱা নাই বুলি জানিব পৰা গৈছে। কিন্তু মেইটেই অধ্যুষিত তাম্ফা খুনু গাঁৱৰ স্বেচ্ছাসেৱকসকলে অনুপ্ৰৱেশকাৰীসকল সশস্ত্ৰ উগ্ৰপন্থী আছিল বুলি দাবী কৰিছে। হাওটাকফেলেন গাঁৱৰ মেইটেই লোকসকলে দাবী কৰা মতে, প্ৰাণ হেৰুওৱা নাগৰিকসকল নিৰস্ত্ৰ আৰু পথাৰত আদা উঠাই আছিল। ২০২৩ চনৰ ৩ মে'ৰ পৰা মেইটেই আৰু কুকি সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ সংঘটিত হৈ আহিছে। এতিয়ালৈ কমেও ২০০ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। কিন্তু কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে হিংসা জৰ্জৰ ৰাজ্যখনলৈ শান্তি ঘূৰাই অনাত বিফল হৈছে বুলি চৰ্চা চলিছে।

# জনজাতিৰ প্ৰমাণ পত্ৰৰ পৰা বঞ্চিত, প্ৰতিবাদৰ হুংকাৰ শৰণীয়া-কছাৰী ছাত্ৰ সন্থাৰ

**ই-সংবাদ, ১১ জানুৱাৰীঃ** শৰণীয়া-কছাৰীসকলৰ জনজাতিৰ প্ৰমাণ পত্ৰৰ সমস্যাক লৈ শীঘ্ৰে আন্দোলন ঘোষণা কৰাৰ হুংকাৰ প্ৰদান কৰিছে সদৌ অসম শৰণীয়া-কছাৰী ছাত্ৰ সন্থাই। আজি সদৌ অসম শৰণীয়া-কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়াই এই হুংকাৰ প্ৰদান কৰিছে। দীপজ্যোতি শৰণীয়া-কছাৰী জনজাতিৰ লোকসকলে জনজাতি প্ৰমাণ পত্ৰৰ পৰা বঞ্চিত হৈ অহাৰ অভিযোগ উত্থাপন কৰিছে। বিভিন্ন সময়ত এই সমস্যা সমাধান কৰিবলৈ চৰকাৰক হেঁচা প্ৰদান কৰি আহিছে যদিও চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই বুলি কয় দীপজ্যোতি শৰণীয়াই। দীপজ্যোতিয়ে কয় যে শৰণীয়া কছাৰী জনগোষ্ঠী অসমৰ অন্যতম কছাৰী মূলীয় ভূমিপুত্ৰ জনজাতি হোৱাৰ পাছতো সময়ে সময়ে জনজাতি প্ৰমাণ পত্ৰ পোৱাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিব লগীয়া হৈছে। ২০২৩ চনৰ ১ মাৰ্চৰ পৰা উদ্ভৱ হোৱা এই সমস্যা সমাধানৰ বাবে ২০২৩ চনৰ ৩ জুনত অসম সচিবালয়ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰা হয়। মুখ্যমন্ত্ৰীয়ে সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰে যদিও আজিও এই সমস্যাৰ সমাধান নহ'ল। আমি কছাৰী মূলৰ শৰণীয়া-কছাৰীসকল আশাবাদী যে এই সমস্যাৰ সমাধানৰ বাবে বৰ্তমান বিজেপি নেতৃত্বধীন চৰকাৰখনৰ সৈতে হোৱা আলোচনাৰ ভিত্তিত সমস্যাটো সমাধানৰ বাবে অতিশীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব। অন্যথা সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা আৰু জনগোষ্ঠীটোৰ জাতীয় সংগঠন আৰু সৰ্বস্তৰৰ জনগণৰ সহযোগত গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ন কৰিবলৈ আমি বাধ্য হ'ম।

# সাংবাদিক দুবিধ! আকৌ সাংবাদিকক নীতি শিক্ষা মুখ্যমন্ত্ৰীৰ

- দীপাংকৰ মেধিৰ প্ৰহাৰ কাণ্ডক লৈ আজিও নিমাত হিমন্ত বিশ্ব শৰ্মা
- এখন গাঁৱতে ডেৰশ সাংবাদিক থাকে!
- আগতে সংবাদমেলত মাত্ৰ ১০ জন সাংবাদিক আছিল
- সাংবাদিকক লৈ ক'লে বহু কথা

**ই-সংবাদ, গুৱাহাটী, ১১ জানুৱাৰীঃ** গুৱাহাটীৰ এন.বি নামৰ এটা ব্যক্তিগত খণ্ডৰ নিউজ চেনেলৰ সাংবাদিক দীপাংকৰ মেধিক নগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত খোদ জিলা আয়ুক্তই প্ৰহাৰ কৰা বুলি অভিযোগ উত্থাপন হৈছিল৷ জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহে সাংবাদিক দীপাংকৰ মেধিক প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হোৱাত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল৷ এই ক্ষেত্ৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা ৰাজ্যৰ গৃহ বিভাগৰ দায়িত্ব থকা হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাছিল৷ দীৰ্ঘ সময়ৰ মূৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজিকালি সাংবাদিক দুবিধ হৈছে বুলি ক্ষোভহে জাহিৰ কৰে৷ ইমানে নহয় মুখ্যমন্ত্ৰীয়ে কোনবোৰ সাংবাদিক প্ৰকৃত ধৰিবহই নোৱাৰি বুলি অভিযোগ আনে৷ আজি গুৱাহাটীত মুখ্যমন্ত্ৰীয়ে অনুষ্ঠিত কৰা সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কয় যে আজিকালি সাংবাদিক দুবিধ হৈছে৷ প্ৰপাৰ সাংবাদিকৰ কোনো বহুত প্ৰব্লেম নাই৷ আজিকালি ইমান সাংবাদিক হৈছে৷ আগতে সাংবাদিকমেলত ১০ জন সাংবাদিক হৈছিল৷ আজিকালি গাঁৱত গ'লে ডেৰশ-দুশ সাংবাদিক৷ মুখ্যমন্ত্ৰীয়ে গাঁও এলেকাত একাংশ লোকে পকেটত বুম লৈ ফুৰাৰ অভিযোগ আনি কয় যে গাঁৱত গ'লে চবে এতিয়া পকেটৰ পৰা এনেকৈ এটা উলিয়াই দিয়ে৷ গতিকে এই বস্তুটোৰ পৰা চৰকাৰৰ নহয়, সাংবাদিকৰ বাবে অশান্তি হৈছে৷ সাংবাদিকৰ যদি অসুবিধা হৈছে তথাকথিত সাংবাদিকৰ পৰাই অসুবিধা হৈছে৷ মই ভাবো আপোনালোকে অকণমান ডিপাৰ্টমেণ্টৰ লগত কথা পাতি কিছুমান যদি ষ্টেণ্ডাৰ্ট কৰি নলয়, কেতিয়াবা এনেকুৱা সাংবাদিকে বেয়া কৰিব গোটেই সাংবাদিক সমাজখনৰ বদনাম হ'ব৷ এই ক্ষেত্ৰত আপোনালোকে আমাকো গাইডেন্স দিব লাগে৷ কাক সাংবাদিক বুলি ধৰিব লাগে কাক সাংবাদিক বুলি ধৰিব নালাগে সেইটা চাওক বুলিও কয় মুখ্যমন্ত্ৰীয়ে৷ দীপাংকৰ মেধিক নগাঁও জিলাৰ আয়ুক্ত নৰেন্দ্ৰ শ্বাহে প্ৰহাৰ কৰাৰ ঘটনাক ৰাজ্য চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে৷ স্বামীৰ পেন্সন লাভ কৰিবলৈ সক্ষম নোহোৱা দুৰ্ভগীয়া মহিলাক সহায়ৰ বাবে যোৱা সাংবাদিক দীপাংকৰক জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহে ওচৰত ওজৰ-আপত্তি দাখিল কৰিবলৈ আপুনি কোন হয় বুলিহে প্ৰশ্ন কৰিছিল৷ সাংবাদিকজনক কৰ্মক্ষেত্ৰ কোন এলেকাত বুলিও জবাবদিহি কৰিছিল শ্বাহে। সাংবাদিকজনক পিঠিত ঢকা মৰাৰ আগতে কাৰ্যালয়ৰ দুৱাৰৰ হুক মাৰি লোৱাই নহয়, আৰক্ষীৰ হতুৱাই কেমেৰা কাঢ়ি কাৰ্ড খুলি নিয়াৰো অভিযোগ উঠিছে৷ আৰক্ষীয়ে সাংবাদিকজনক ৯ ঘণ্টা আৰক্ষী থানাত বহুৱাই ৰাখিছিল যদিও স্থানীয় সাংবাদিকৰ বাবেহে আদালতত হাজিৰ নকৰা বুলি জানিব পৰা গৈছে৷ ইমানৰ পাছতো ৰাজ্য চৰকাৰৰ কোনো মন্ত্ৰী, বিধায়ক তথা শাসকীয় বিজেপি দলৰ কোনো নেতাই সাংবাদিক নিগ্ৰহৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া দিয়া দেখা নগ'ল৷ কিন্তু আজি মুখ্যমন্ত্ৰীয়ে সাংবাদিকক নীতি শিক্ষা দিয়েই সমগ্ৰ বিষয়টোক একপ্ৰকাৰ টুলুঙা কৰিবলৈ চেষ্টা চলোৱা দেখা গ'ল।

## ৰাজীৱ ভৱনত ইখনৰ পিছত সিখনকৈ বৈঠক সম্পন্ন

# ন্যায় যাত্ৰাত চৰকাৰৰ বিধি-পথালি নেওচিবলৈ কংগ্ৰেছে বান্ধিছে টঙালি!

**গুৱাহাটী, ১১ জানুৱাৰীঃ** ভাৰত জোড়ো ন্যায় যাত্ৰা কিয় সেই সন্দৰ্ভত আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ এখন পুস্তিকা ৰাইজৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰে। এই ন্যায় যুদ্ধৰ আপুনিও এজন অংশীদাৰ হওক আৰু ন্যায় নোপোৱালৈকে এই যুদ্ধ চলি থাকিব শীৰ্ষক এখন পুস্তিকা প্ৰকাশ কৰি বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই কয় যে অহা ১৪ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া এই যাত্ৰাই ১৫খন ৰাজ্যক সামৰি ল'ব। ৬৬ দিনৰ এই দীঘলীয়া যাত্ৰাত ৬,৭১৩ কিলোমিটাৰ পথ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে অতিক্ৰম কৰিব আৰু এই সময়ছোৱাত দেশৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ লগত মত বিনিময় কৰিব। ১১০ খন জিলাক সামৰি মণিপুৰত আৰম্ভ হ'বলগীয়া এই ন্যায় যুদ্ধৰ যাত্ৰা সাময়িকভাৱে ২০ মাৰ্চত মুম্বাইত স্থগিত হ'ব। দেশৰ সংবিধান ৰক্ষাৰ বাবে আমি সকলোৱে এই যুদ্ধৰ অংশীদাৰ হোৱাৰ প্ৰয়োজন আছে বুলি বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই সংবাদমেলত উল্লেখ কৰে। ইয়াৰ পূৰ্বে জ্যেষ্ঠ বিধায়ক তথা প্ৰদেশ কংগ্ৰেছৰ সংবাদ মাধ্যম বিভাগৰ অধ্যক্ষ ভৰত চন্দ্ৰ নৰহে এই ন্যায় যুদ্ধৰ অংশীদাৰ হ'বৰ বাবে ৯৮৯১৮০২০২৪ ফোন নম্বৰত মিছকল দিবৰ বাবে সকলোকে আহ্বান জনায়। বিধায়ক নৰহে কয় যে অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক ন্যায়ৰ বাবে এই যুদ্ধ। ভাৰতৰ প্ৰত্যেক যুৱক-যুৱতীক সংস্থাপন কৰাৰ বাবে, নতুন প্ৰজন্মই নিজৰ ভৱিষ্যত সুৰক্ষিত কৰিবৰ বাবে এই ন্যায় যুদ্ধ কৰা হ'ব। মোদী চৰকাৰে দেশৰ মহিলা, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলক ন্যায় প্ৰদান কৰা নাই আৰু সেইসকলৰ সামাজিক ন্যায়ৰ বাবে এই যাত্ৰা। বিধায়ক নৰহে কয়, বাবাচাহেব আম্বেডকাৰে প্ৰস্তুত কৰা সংবিধানৰ মৰ্যাদা আৰু সকলো ভাৰতীয়ৰ বাবে ন্যায় প্ৰদানৰ বাবে এই যাত্ৰা। সকলো ৰাইজে এই যাত্ৰাত অংশগ্ৰহণ কৰিব পাৰিব আৰু bharatjodoyatra.in ৱেবছাইটযোগে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব বুলি নৰহে জনায়। ইফালে, সংবাদমেলত উপস্থিত থাকি ভাৰত জোড়ো ন্যায় যাত্ৰাৰ অসমৰ মিডিয়া বিভাগৰ সম-অধ্যক্ষ বেদব্ৰত বৰাই কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা ব্যৰ্থ কৰিবৰ কাৰণে বিভিন্ন অপচেষ্টা চলাইছে আৰু তাৰ মাজতে পূৰ্বতে অনুমতি লাভ কৰা কেবাখনো খেলপথাৰ চৰকাৰে অনুমতি দিবলৈ এতিয়া অস্বীকাৰ কৰিছে। যিকোনো পৰিস্থিতিতে এই ন্যায় যাত্ৰা অব্যাহত থাকিব বুলিও বৰাই উল্লেখ কৰে। সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্যকৰী সভাপতি কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক আছিফ নজৰ, জ্যেষ্ঠ কংগ্ৰেছ নেতা এটোৱা মুণ্ডা, ৰমেন বৰঠাকুৰ, গোপাল শৰ্মা উপস্থিত থাকে। একেদৰে ভাৰত জোড়ো ন্যায় যাত্ৰা সফল কৰিবৰ বাবে ৰাজীৱ ভৱনত আজি কেবালানিও বৈঠক অনুষ্ঠিত হয়। পৰিকল্পনা বিভাগৰ অধ্যক্ষ দেৱব্ৰত শইকীয়াৰ সভাপতিত্বত উপ-সমিতিসমূহৰ অধ্যক্ষসকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয় আৰু ১২ জানুৱাৰীৰ ভিতৰত সকলো চৰকাৰীভাৱে জড়িত কাম বিশেষকৈ অনুমতিৰ বাবে আবেদন দিয়াতো নিশ্চিত কৰিবলৈ আহ্বান জনায়। এই সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ নেতৃত্বত এটা দলে ৰাজ্য প্ৰশাসনৰ মুৰব্বীক শীঘ্ৰে সাক্ষাৎ কৰিবলৈকো সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। পৰিকল্পনা বিভাগৰ অধ্যক্ষ দেৱব্ৰত শইকীয়াৰ লগত পৰিবহণ উপ-সমিতিৰ অধ্যক্ষ বিধায়ক ৰেকিবুদ্দিন আহমেদ, পৰিকাঠামো বিভাগৰ অধ্যক্ষ ৱাজেদ আলী চৌধুৰী, অনুমতি সমিতিৰ অধ্যক্ষ বিধায়ক আব্দুল ৰচিদ মণ্ডলকে ধৰি অনুশাসন সমিতি, নিৰাপত্তা সমিতিৰ অধ্যক্ষসকলৰ যুটীয়াভাৱে বৈঠক অনুষ্ঠিত হয়।

# ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা লৈ আমন্ত্ৰণৰ যোগ্য নহয় কংগ্ৰেছ, দাবী অসমৰ মুখ্যমন্ত্ৰীৰ

**নতুন দিল্লী, ১১ জানুৱাৰীঃ** আধৰুৱা ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত অংশ নোলোৱাৰ কথা ঘোষণা কৰাৰ পাছৰে পৰা কংগ্ৰেছক আক্ৰমণ আৰম্ভ কৰিছে বিজেপিয়ে৷ বিজেপিৰ সাংসদ গিৰিৰাজ সিঙে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি ৰামক অমান্য কৰাত কংগ্ৰেছ নিশ্চিহ্ন হৈ যাব বুলি দাবী কৰিছে৷ আনহাতে বিজেপিৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক সমালোচনা কৰিছে৷ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীৰ আমন্ত্ৰণ প্ৰত্যাখ্যান কৰাত হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ আমন্ত্ৰণৰ যোগ্য নহয় বুলি কৈ লক্ষ্য কৰি লয়৷ এক্সত এটা পোষ্ট দি কংগ্ৰেছ দলক হিন্দু বিৰোধী বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয় এই আমন্ত্ৰণ গ্ৰহণ কৰি হিন্দু সমাজৰ ওচৰত ক্ষমা বিচাৰিব পাৰিলেহেঁতেন। তথাপি পিটি নেহৰুৱে সোমনাথ মন্দিৰৰ দৰে, কংগ্ৰেছ নেতৃত্বই ৰাম মন্দিৰৰ সৈতেও একেই কাণ্ড কৰিলে৷ হিন্দু বিৰোধী দল কংগ্ৰেছক ইতিহাসে ক্ষমা নকৰিব৷ উল্লেখ্য যে, অনুষ্ঠানটোক আৰএছএছ-বিজেপিৰ ৰাজনৈতিক আখৰা বুলি উল্লেখ কৰি কংগ্ৰেছে আমন্ত্ৰণ প্ৰত্যাহাৰ কৰিছিল৷

# পদযাত্ৰী লৈ গুৱাহাটীত সোমাব নোৱাৰিব ৰাহুল গান্ধী

## গঞাৰ খেতিপথাৰত নিশা কটাব ৰাহুলে

**ই-সংবাদ, ১১ জানুৱাৰীঃ** অসম প্ৰদেশ কংগ্ৰেছ নেতৃত্বই বিজেপিয়ে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক ভয় কৰা বুলি অভিযোগ উত্থাপন কৰি অহাৰ সময়তে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি যাত্ৰাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। মুখ্যমন্ত্ৰীয়ে এই যাত্ৰা সন্দৰ্ভত অসম চৰকাৰক অৱগত কৰোৱা হোৱা বুলি নাই বুলি স্পষ্ট কৰে। আনহাতে গুৱাহাটী মহানগৰীত ৰাহুল গান্ধীয়ে যাত্ৰা কৰিব নোৱাৰিব বুলি স্পষ্ট কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে যদি চৰকাৰক জনোৱা হয় তেন্তে যাত্ৰাৰ বাবে অনুমতি দিয়া হ'ব। কিন্তু এতিয়ালৈ যাত্ৰাৰ কথা অৱগত কৰোৱা হোৱা নাই। আনহাতে গুৱাহাটী মহানগৰীৰ মাজেৰে পুৱা ৮ বজাৰ আগতে যাত্ৰা কৰিব লাগিব বুলি কৈ মুখ্যমন্ত্ৰীয়ে কয় যে ৰাহুল গান্ধীৰ যাত্ৰাক স্কুল আৰু মহানগৰৰ মাজেৰে যোৱাৰ অনুমতি দিয়া নহ'ব। মহানগৰীৰ মাজেৰে গ'লে পুৱা ৮ বজাৰ আগতে যাব লাগিব। মুখ্যমন্ত্ৰীয়ে আৰু কয় 'অসমলৈ পৰ্যটক আহিলে আমি ভাল পাম, খেলপথাৰ-ষ্টেডিয়াম সকলোতে পৰ্যটক থাকিব পাৰিব। কিন্তু গুৱাহাটী মহানগৰীৰ মাজেৰে সমদল কৰিবলৈ অনুমতি দিয়া নহ'ব। ৰাষ্ট্ৰীয় ঘাইপথৰে যাব কৰিব যাত্ৰা। আনহাতে, উজনিৰ দুখন জিলাত ৰাহুলৰ নৈশ যাপনৰ অনুমতি বাতিল কৰিছে চৰকাৰে। ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ আন আন নেতাই নৈশ যাপন কৰিবলৈ চৰকাৰী শিক্ষানুষ্ঠান দিবলৈ অস্বীকাৰ কৰিছে চৰকাৰৰ শিক্ষা বিভাগে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে ৰাজ্য চৰকাৰে দুখন স্কুলৰ অনুমতি বাতিল কৰাত ব্যক্তিগত লোকৰ খেতিপথাৰত থকাৰ ব্যৱস্থা কৰা হৈছে। ব্যক্তিগত লোকৰ কৃষি ভূমিত ৰাহুল গান্ধীৰ কণ্টেইনাৰ বাহন ৰখাৰ বাবে বিকল্প স্থান নিৰ্ধাৰণ কৰা হৈছে। য'ত ৰাহুল গান্ধীকে ধৰি জ্যেষ্ঠ নেতাসকলে নিশা কটাব। প্ৰথমতে ধেমাজি জিলাৰ গোগামুখত এখন বিদ্যালয়ৰ খেলপথাৰ নিশা ৰখাৰ বাবে ব্যৱহাৰ কৰাৰ অনুমতি লাভ কৰিছিল। কিন্তু পাছত সেই অনুমতি প্ৰত্যাহাৰ কৰিছে। আনহাতে ৰাজহুৱা সভাৰ বাবে স্কুলৰ খেলপাথৰৰ অনুমতি বাতিল কৰা বুলি জানিব পৰা গৈছে। ১৪ জানুৱাৰীত মণিপুৰৰ পৰা আৰম্ভ হ'ব ভাৰত জোড়ো ন্যায় যাত্ৰা। ভাৰত জোডো ন্যায় যাত্ৰাৰ লক্ষ্য হৈছে ৬৬ দিন আৰু ৬,৭১৩ কিলোমিটাৰ। ১৮ জানুৱাৰীত মণিপুৰৰ পৰা নাগালেণ্ড হৈ অসমৰ আমগুৰিত প্ৰৱেশ কৰিব ভাৰত জোড়ো ন্যায় যাত্ৰাই।

## ১০ বজালৈ নাহিল এজনো শিক্ষক, ক্ষুব্ধ অভিভাৱক

# গোপাল বড়ো উঃ মাঃ বিদ্যালয়ত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, ১১ জানুৱাৰীঃ** ছাত্ৰৰ মূৰ খাইছে গুৱাহাটী মহানগৰীৰ চৰকাৰী বিদ্যালয়ৰ একাংশ শিক্ষকে। বিদ্যালয়ত কোনো দিনে সময়মতে উপস্থিত নাথাকি কৰ্তব্যত গাফিলতি কৰি আহিছে গুৱাহাটীৰ একাংশ শিক্ষকে। গুৱাহাটীৰ মাজমজিয়াৰ গোপাল বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাংশ শিক্ষকে কৰ্তব্যত গাফিলতি কৰি অহাৰ অভিযোগ উত্থাপন হৈছে। এই অভিযোগৰ মাজতে আজি গোপাল বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অভিভাৱকে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। শিক্ষকৰ বিৰুদ্ধে শ্লʼগান দি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে অভিভাৱকে। অভিভাৱকৰ অভিযোগ মতে, পুৱা ৯.১৫ বজাত পাঠদান আৰম্ভ হ'ব লাগে। কিন্তু ১০ বজালৈ শ্ৰেণীকোঠাত উপস্থিত নাথাকে শিক্ষক। আজিও শিক্ষকসকলে বিদ্যালয়ত উপস্থিত নথকাত অভিভাৱকসকল জাঙুৰ খাই উঠে। উপায়ন্তৰ হৈ একাংশ অভিভাৱকে প্ৰতিবাদ কৰাত বহু পলমকৈ উপস্থিত হয় কেইবাগৰাকী শিক্ষক। শিক্ষক উপস্থিত নথকাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় গোপাল বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। একাংশ অভিভাৱকৰ অভিযোগ এয়াই যে দীৰ্ঘদিনৰ পৰা বিদ্যালয়খনৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতি অনিয়মীয়া। ছাত্ৰ-ছাত্ৰীসকলে পাঠগ্ৰহণত ভোগ কৰি অহা দুৰ্ভোগৰ বাবে ক্ষোভ উজাৰি প্ৰতিবাদ সাব্যস্ত কৰা বুলি কয়। ইফালে এই অভিযোগক অস্বীকাৰ কৰি একাংশ শিক্ষকে গুণোৎসৱৰ বাব উপস্থিত হোৱাত পলম হোৱা বুলি কয়।

# ৩১ জানুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ বাজেট অধিৱেশন

## ১ ফেব্ৰুৱাৰীত দাখিল হ'ব বাজেট

**নতুন দিল্লী, ১১ জানুৱাৰীঃ** লাহে লাহে চমু চাপিছে লোকসভা নিৰ্বাচনৰ দিন। ইয়াৰ পূৰ্বে অহা ৩১ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব মোদী চৰকাৰৰ দ্বিতীয় কাৰ্যকালৰ অন্তিমখন বাজেট অধিৱেশন। সূত্ৰ অনুসৰি, ৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'বলগীয়া সংসদৰ এই বাজেট অধিৱেশনৰ মাজতে ১ ফেব্ৰুৱাৰীত সংসদত দাখিল কৰা হ'ব অন্তৰ্বৰ্তীকালীন সাধাৰণ বাজেট। ইফালে বাজেট অধিৱেশনৰ আৰম্ভণিৰ দিনটোত দুয়োখন সদনতে ভাষণ প্ৰদান কৰিব ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। উল্লেখ্য যে, সাধাৰণ নিৰ্বাচনৰ ঠিক পূৰ্বে অনুষ্ঠিত হ'বলগীয়া এই অন্তিমখন বাজেট অধিৱেশনত কেন্দ্ৰীয় চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। উল্লেখযোগ্য যে সংসদৰ শীতকালীন অধিৱেশনৰ সময়তো শাসকীয় দল আৰু বিৰোধীৰ মাজত তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হৈছিল। সেই সময়ছোৱাত সংসদৰ দুয়োখন সদনৰ মাজত বহু গুৰুত্বপূৰ্ণ বিধেয়ক আলোচনা হয় আৰু বহু গুৰুত্বপূৰ্ণ আইনও গৃহীত হয়। শীতকালীন অধিৱেশনৰ সময়ত সংসদৰ নিৰাপত্তা ভংগ সন্দৰ্ভতো কেন্দ্ৰৰ পৰা উত্তৰ দাবী কৰিছিল বিৰোধীয়ে। সংসদৰ নিৰাপত্তা ভংগ সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সদনত বিবৃতি দিবলৈ দাবী জনাইছিল বিৰোধী দলসমূহে। আনহাতে কেন্দ্ৰীয় চৰকাৰে কয় যে বিৰোধীয়ে সদনত গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোচনা কৰাটো এৰাই চলিছে। ইফালে শীতকালীন অধিৱেশনৰ সময়ত সংসদৰ দুয়োখন সদনৰ পৰা ১৪০ জনতকৈও অধিক সাংসদক নিলম্বন কৰা হৈছিল। অনুশাসনমূলক ব্যৱস্থাৰ অংশ হিচাপে দুয়োখন সদনৰ সাংসদক নিলম্বন কৰা হয়। পিছত বিৰোধী দলসমূহে সাংসদসকলৰ নিলম্বন সন্দৰ্ভত প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে সংসদ ভৱনৰ পৰা ৱাকআউটও কৰিছিল।

# গুজৰাটত ২ লাখ কোটি টকা বিনিয়োগৰ সিদ্ধান্ত গৌতম আদানিৰ

**আহমেদাবাদ, ১১ জানুৱাৰীঃ** আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানীয়ে নিজ ৰাজ্য তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গৃহ ৰাজ্যৰ বাবে বিশেষ ঘোষণা কৰিছে৷ গুজৰাট ভাইব্ৰেণ্ট সন্মিলনত ৫ বছৰত গুজৰাটত ২ লাখ কোটি টকা বিনিয়োগ কৰাৰ ঘোষণা কৰিছে৷ উন্নত গুজৰাট নিৰ্মাণত কৰাত সহায় কৰাৰ প্ৰতিশ্ৰুতি দি আদানীয়ে কয় কচ্ছত বিশ্বৰ সৰ্ববৃহৎ সেউজ উদ্যান স্থাপন কৰা হ'ব আৰু গুজৰাটত ১ লাখতকৈও অধিক সংস্থাপন সৃষ্টি কৰা হ'ব। আদানীয়ে আৰু কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেৱল ভাৰতৰ ভৱিষ্যতৰ বিষয়ে চিন্তা নকৰে, লগতে ইয়াক বাস্তৱো কৰে। ভাৰত ২০৪৭ চনৰ ভিতৰত এখন সম্পূৰ্ণ উন্নত ৰাষ্ট্ৰ হোৱাৰ পথত। নৰেন্দ্ৰ মোদীয়ে ভাৰতক এক মুখ্য শক্তি হিচাপে বিশ্বৰ মানচিত্ৰত স্থান দিছে আৰু আত্মনিৰ্ভৰশীল কৰি তুলিছে। আদানি গ্ৰুপে এখন স্বাৱলম্বী ভাৰতক আগুৱাই নিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। গৌতম আদানীয়ে সেউজ প্ৰকল্পৰ কথা উল্লেখ কৰি কয় যে আমি এক স্বাৱলম্বী ভাৰতৰ বাবে সেউজ যোগান শৃংখলা সম্প্ৰসাৰিত কৰি আছো। ইয়াৰ উপৰিও, সৰ্ববৃহৎ একত্ৰিত নৱীকৰণযোগ্য শক্তি পৰিৱেশ-প্ৰণালী সৃষ্টি কৰা হৈছে। সৌৰ পেনেল, বায়ু টাৰ্বাইন, হাইড্ৰজেন ইলেক্ট্ৰলাইজাৰ, সেউজীয়া এমোনিয়া, পিভিচি, তাম আৰু চিমেণ্টৰ উৎপাদন বৃদ্ধি কৰা হ'ব। আমি পূৰ্বৰ সন্মিলনত ৫৫,০০০ কোটি টকা বিনিয়োগ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ আৰু এতিয়ালৈকে ৫০,০০০ কোটি টকাৰ অধিক বিনিয়োগ কৰিছো। আমি কচ্ছত ২৫ বৰ্গ কিলোমিটাৰ জুৰি বিস্তৃত ৩০ গিগাৱাট সেউজ শক্তি উদ্যান নিৰ্মাণ কৰি আছো৷ যাক মহাকাশৰ পৰা দৃশ্যমান হ'ব। ২০১৪ চনৰ পৰা, ভাৰতৰ জিডিপি ১৮৫ শতাংশ বৃদ্ধি হৈছে আৰু জনমূৰি আয় ১৬৫ শতাংশ বৃদ্ধি হৈছে। বিশেষকৈ এই দশকৰ ভূ-ৰাজনৈতিক সংঘাত আৰু মহামাৰী প্ৰত্যাহ্বানৰ পৰিপ্ৰেক্ষিতত এয়া এক অনন্য সাফল্য। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাইব্ৰেণ্ট গুজৰাট সন্মিলন উদ্বোধন কৰে। অনুষ্ঠানটো গান্ধীনগৰৰ মহাত্মা মন্দিৰত অনুষ্ঠিত হয়। এই সন্মিলনখনে গুজৰাটক ব্যৱসায়ৰ মুখ্য কেন্দ্ৰ হিচাপে গঢ়ি তোলাত এক গুৰুত্বপূৰ্ণ অৱদান হিচাপে বিবেচিত হৈ আহিছে।

# গোৰ্খা ছাত্ৰ সন্থাৰ তীব্ৰ প্ৰতিবাদত উত্তাল ‘অইল’




**ই-সংবাদ, দুলীয়াজান, ১১ জানুৱাৰীঃ** অইল ইণ্ডিয়াৰ শেহতীয়া ১৮৭ টা কাৰিকৰী নিযুক্তি প্ৰক্ৰিয়াত ব্যাপক বিসংগতি আৰু অনিয়ম সংঘটিত হোৱা স্বত্ত্বেও দল-সংগঠনৰ প্ৰতিবাদক ভ্ৰুক্ষেপ নকৰি অইল ইণ্ডিয়াই সম্পূৰ্ণ ফেচিষ্ট মনোভাবেৰে ফলাফল ঘোষণা কৰাৰ প্ৰতিক্ৰিয়া আজিও অব্যাহত আছে। আজি দিনৰ প্ৰায় ১০.৩০ বজাৰপৰা সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলা সমিতিৰ লগতে গোৰ্খা নাৰী পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিয়ে তৈল প্ৰতিষ্ঠানটোৰ দুলীয়াজানস্থিত মুখ্য কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান গণ বিক্ষোভ কাৰ্যসূচীৰ জৰিয়তে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৰ দুই শতাধিক সদস্যই বিভিন্ন শ্ল’গানেৰে আকাশ-বতাহ কঁপাই তুলি এক উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰাত লগে লগে অইল নিৰাপত্তাৰক্ষী, দুলীয়াজান আৰক্ষী, চি আই এছ এফ, চি আৰ পি এফৰ শতাধিক জোৱান প্ৰতিবাদস্থলীত মোতায়েন কৰা হয়। উল্লেখ্য যে এই নিযুক্তি প্ৰক্ৰিয়াত বিসংগতি ধৰা পৰাৰ পিছতেই ছাত্ৰ সংগঠনটোৱে অইল ইণ্ডিয়াৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচীৰ জৰিয়তে উক্ত নিযুক্তি প্ৰক্ৰিয়াৰ বাতিল কৰি উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছিল। কিন্তু অইলৰ তৰফৰপৰা কোনো সহঁাৰি নোপোৱাত যোৱা ৯ নৱেম্বৰত সংগঠনটোৰ ডিব্ৰুগড়, চৰাইদেউ আৰু তিনিচুকীয়া জিলা সমিতিয়ে অইলৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালকগৰাকীৰ পুত্তলিকা দাহ কৰি পুনৰ প্ৰতিবাদ সাব্যস্ত কৰে। পাছত অইল ইণ্ডিয়াই ১৪ নৱেম্বৰত গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলক আলোচনাৰ বাবে নিমন্ত্ৰণ জনাইছিল যদিও অইল ইণ্ডিয়াৰ বিষয়াসকলে মূল বিষয়ৰ পৰা বাৰম্বাৰ ফালৰি কাটি দায়িত্ব সাৰিব বিচৰাৰ লগতে গোৰ্খা ছাত্ৰ সন্থা তথা ৰাইজক আশ্বস্ত কৰিব পৰাকৈ কোনো সিদ্ধান্ত দিব নোৱাৰাত গোৰ্খা ছাত্ৰ সন্থাৰ তৰফৰপৰা নিজৰ স্থিতি স্পষ্ট কৰিবলৈ অইল ইণ্ডিয়াক সময়সীমা বান্ধি দিছিল। কিন্তু নিৰ্দিষ্ট সময়ৰ ভিতৰত বিসংগতিপুৰ্ণ নিযুক্তি পৰীক্ষাৰ তদন্তৰ প্ৰতিবেদন ৰাজহুৱা কৰাৰ পৰিবৰ্তে অতি কৌশলেৰে অইল ইণ্ডিয়াই যোৱা ৮ জানুৱাৰীৰ নিশা ৯ বজাত ইয়াৰ ফলাফল ঘোষণা কৰে। আজি প্ৰতিবাদস্থলীত সংগঠনটোৱে ক্ষোভ প্ৰকাশ কৰে যে অইল ইণ্ডিয়াৰ শীৰ্ষ বিষয়াসকলে সম্পূৰ্ণ ফেচিবাদী মনোভাবেৰে দেশৰ ৰাজহুৱা খণ্ডৰ লাভজনক উদ্যোগ প্ৰতিষ্ঠান এটাক ব্যক্তিগত প্ৰতিষ্ঠানৰ দৰে পৰিচালনা কৰি আহিছে। যিটো গোৰ্খা ছাত্ৰ সন্থা আৰু অসমৰ জনগণে কোনোপধ্যেই মানি নলয়। অইল ইণ্ডিয়াৰ এই মইমতালি আৰু তদন্তৰ প্ৰতিবেদন ৰাজহুৱা নকৰাকৈ বিসংগতিপূৰ্ণ নিযুক্তি প্ৰক্ৰিয়াৰ ফলাফল ঘোষণা কৰা কাৰ্যত ক্ষুন্ন হৈ সংগঠনটোৱে সকীয়াই দি কয় যে অইল ইণ্ডিয়াৰ বৰমুৰীয়াসকলে গণতন্ত্ৰক ভৰিৰে মোহাৰি নিজৰ খেয়াল-খুচি মতে জাতীয় উদ্যোগ প্ৰতিষ্ঠানটোক পৰিচালনা কৰাৰ যি নীতি গ্ৰহণ কৰিছে সেয়া গোৰ্খা ছাত্ৰ সন্থাই সৰ্বশক্তিৰে বাধা দিব। গোৰ্খা ছাত্ৰ সন্থাৰ যি ন্যায়িক দাবী সেই দাবী অইল কৰ্তৃপক্ষই মানিবই লাগিব। বিসংগতিপূৰ্ণ নিযুক্তি প্ৰক্ৰিয়াৰ ফলাফল বাতিল কৰিবই লাগিব। তদন্ত অবিহনে ঘোষণা কৰা এই ফলাফল শীঘ্ৰে বাতিল নকৰিলে অহা ১৯ জানুৱাৰীত অইল ইণ্ডিয়াৰ ঔদ্যোগিক অঞ্চলৰ মুখ্য প্ৰৱেশদ্বাৰ বন্ধ কাৰ্যসূচীৰ দৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব। ইয়াৰ ফলত উদ্ভৱ হ’ব পৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ বাবে অইল ইণ্ডিয়াত একনায়কত্ববাদ চলাই থকা ড০ ৰঞ্জিত ৰথ, আশোক দাসৰ দৰে শীৰ্ষ বিষয়াসকলেই একপক্ষীয়ভাৱে দায়ী হ’ব । আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত গোৰ্খা ছাত্ৰ সন্থাৰ আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সহঃ সম্পাদকদ্বয় অজয় কুমাৰ আলে, সুৰজ থাপা, সাংগঠনিক সম্পাদক দীপক নেৱাৰ, তিনিচুকীয়া জিলাৰ সভাপতি অশোক লামা, ডিব্ৰুগড় জিলাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰদীপ ভুজেল, চৰাইদেউ জিলাৰ সভাপতি অশোক লামা, সম্পাদক লাল থাপা, ডিব্ৰুগড় জিলা গোৰ্খা নাৰী পৰিষদৰ সভানেত্ৰী ববী ছেত্ৰী, সম্পাদিকা মমতা নেৱাৰসহ বহু কাৰ্যকৰ্তা উপস্থিত থাকে ।

# শেষ পৃষ্ঠা

## চিন্তিত নহয় দ্ৰাবিড়

**মহালি, ১১ জানুৱাৰীঃ** টি-২০ ক্ৰিকেট বিশ্বকাপলৈ ভাৰতীয় দল প্ৰস্তুতিকলৈ চিন্তিত নহয় প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়। উল্লেখ্য যে আজিৰে আফগানিস্তানৰ বিৰুদ্ধে আৰম্ভ হোৱা টি-২০ শৃংখলাটোই হ'ল আগন্তুক টি-২০ ক্ৰিকেট বিশ্বকাপলৈ ভাৰতৰ অন্তিম প্ৰস্তুতি। ইয়াৰ পিছত বিশ্বকাপৰ পূৰ্বে টীম ইণ্ডিয়াই ক্ৰিকেটৰ ক্ষুদ্ৰ সংস্কৰণটোত আন্তঃৰাষ্ট্ৰীয় মেছত ভাগ নলয়। চলিত বৰ্ষৰ জুন মাহত অনুষ্ঠিত হ'ব বিশ্বকাপ। অৱশ্যে আফগানিস্তানৰ বিৰুদ্ধে খেলা শৃংখলাৰ পিছত বিশ্বকাপৰ পূৰ্বে ভাৰতীয় খেলুৱৈ সকল ইণ্ডিয়ান প্ৰীমিয়াৰ লীগত ব্যস্ত থাকিব। অহা ২২ মাৰ্চৰ পৰা আই পি এল আৰম্ভ হোৱাৰ কথা।

## ৰিয়ানৰ সমৰ্থনত অশ্বিন



**চেন্নাই, ১১ জানুৱাৰীঃ** ছত্তীছগড়ৰ বিৰুদ্ধে যোৱা আঠ জানুৱাৰীত ৰঞ্জি ট্ৰফি মেছত শতৰান কৰাৰ পিছত অসম দলৰ অধিনায়ক ৰিয়ান পৰাগে যিদৰে উদযাপন কৰিছিল সেই লৈ ৰিয়ানক কৰা সমালোচনাত ৰিয়ানৰ পক্ষত থিয় দিছে তাৰকা অফ স্পিনাৰ ৰবীচন্দ্ৰন অশ্বিন। ৰিয়ানৰ ৰাজস্থান ৰয়েলছ দলৰ সতিৰ্থ অশ্বিন অসমৰ খেলুৱৈজনে আই পি এলত কৰা প্ৰদৰ্শনকলৈ কৰা সমালোচনাৰ বিৰোধিতা কৰিছে। তেওঁ বিগত আই পি এলৰ পিছত ৰিয়ানে কৰা ধাৰাবাহিক প্ৰদৰ্শন লক্ষ্য কৰিবলৈ কয়। উল্লেখ্য যে ছত্তীছগড়ৰ বিৰুদ্ধে অসমৰ খেলুৱৈজনে উদযাপন কৰা এটা ভিডিঅ' নিজৰ এক্স হেণ্ডেলত প্ৰকাশ কৰিছিল। তাতে বহু নেটিজেনে তেওঁৰ আই পি এলৰ প্ৰদৰ্শনকলৈ প্ৰশ্ন উত্থাপন কৰিছিল।



# ৰামক অপমান! অভিনেত্ৰী নয়নতৰাৰ বিৰুদ্ধে গোচৰ

**অনলাইন ফিচাৰ্ছ, ১০ জানুৱাৰীঃ** শেহতীয়াকৈ মুক্তিলাভ কৰা দক্ষিণৰ ছবি 'অন্নপুৰাণি'ত মৰ্যাদা পুৰুষোত্তম ৰামক অসন্মান কৰি সনাতন ধৰ্মত আঘাত হনাৰ অভিযোগ উত্থাপন হৈছে ছবিখনৰ প্ৰযোজক, পৰিচালক আৰু অভিনেত্ৰীৰ বিৰুদ্ধে। হিন্দুৰ ধৰ্মীয় অনুভূতিত আঘাত হনাৰ লগতে লাভ জেহাদৰ প্ৰচাৰ কৰাৰ অভিযোগ তুলি মধ্যপ্ৰদেশৰ জবলপুৰত সোঁপন্থী হিন্দু সংগঠনে দাখিল কৰিছে এজাহাৰ। ছবিখনৰ পৰিচালক তথা অভিনেত্ৰী নয়নতৰাৰ লগতে আন এগৰাকী পৰিচালক নীলেশ কৃষ্ণ, প্ৰযোজক যতীন ছেঠি আৰু আৰ ৰবিন্দ্ৰনকে ধৰি সাতজনৰ বিৰুদ্ধে মধ্যপ্ৰদেশৰ ওমটি থানাত ফ্ৰিঞ্জ আউটফিট হিন্দু সেৱা পৰিষদে দাখিল কৰে এই এজাহাৰ। ছবিখনৰ অনলাইন ষ্ট্ৰিমিং সহযোগী নেটফ্লিক্স ইণ্ডিয়াৰ কণ্টেণ্ট হেড মণিকা শ্বেৰগিলৰ বিৰুদ্ধেও দাখিল কৰা হৈছে এজাহাৰ। উল্লখ্য যে, দক্ষিণৰ মোহময়ী অভিনেত্ৰী নয়নতৰা অভিনীত 'অন্নপুৰণি' ছবিখন যোৱা বছৰৰ ১ ডিচেম্বৰত মুক্তি লাভ কৰাৰ পিছত ২৯ ডিচেম্বৰৰ পৰা অনলাইন ষ্ট্ৰিমিং আৰম্ভ হৈছিল। এই ছবিখনৰ জৰিয়তে ভগৱান ৰামচন্দ্ৰৰ অপমান কৰাৰ লগতে সনাতন ধৰ্মত আঘাত হনাৰ অভিযোগ উত্থাপন কৰিছে হিন্দুত্ববাদী সংগঠনসমূহে। তদুপৰি ছবিখনৰ প্ৰযোজক, পৰিচালকৰ বিৰুদ্ধে উত্থাপন কৰা হৈছে ছবিৰ জৰিয়তে লাভ জেহাদৰ প্ৰচাৰ কৰাৰ অভিযোগ। অন্যহাতে ছবিখনৰ মুক্তিলাভৰ পিছত মধ্যপ্ৰদেশৰ উপৰিও দেশৰ আন আন প্ৰান্তৰো হিন্দুত্ববাদী সংগঠনসমূহে তীব্ৰ বিৰোধ প্ৰদৰ্শন কৰা দেখা যায়। মুম্বাইতো বজৰংগ দল আৰু হিন্দু আই টি চেলে ছবিখনৰ সৈতে জড়িত সকলৰ বিৰুদ্ধে দুখনকৈ এজাহাৰ দাখিল কৰিছে। হিন্দু সেৱা পৰিষদৰ প্ৰতিষ্ঠাপক তথা সভাপতি অতুল জেছৱানীয়ে 'অন্নপুৰণিয়ে' হিন্দু ধৰ্মীয় আৱেগক আঘাত কৰা, সনাতন ধৰ্মক অপমান কৰা আৰু ভগৱান ৰামৰ বিৰুদ্ধে ভিত্তিহীন মন্তব্য কৰা বুলি অভিযোগ উত্থাপন কৰে। হিন্দুত্ববাদী সংগঠনসমূহে ধৰ্মীয় আবেগত আঘাত হনাৰ অভিযোগ তুলি ছবিখনৰ কেইটামান দৃশ্যৰ বিষয়ে আঙুলিয়াই দিছে। ছবিখনৰ এটা দৃশ্যত মন্দিৰৰ পুৰোহিতৰ কন্যাৰ চৰিত্ৰত অভিনয় কৰা নয়নতৰাই বিৰিয়ানী বনোৱাৰ আগতে হিজাব পিন্ধি নামাজ আগবঢ়োৱা কাৰ্যই সনাতনী সকলক আঘাত দিয়া বুলি দাবী কৰা হৈছে। ইয়াৰ উপৰিও দাবী কৰা হৈছে যে, এটা দৃশ্যই নয়নতৰাই অভিনয় কৰা চৰিত্ৰটোৰ এজন বন্ধুৱে তেওঁক মাংস কাটিবলৈ "ব্ৰেইন ৱাছ" কৰি "ভগৱান ৰাম আৰু দেৱী সীতাইও মাংস ভক্ষণ কৰিছিল" বুলি দাবী কৰে। উল্লেখ্য যে, অযোধ্যাৰ বহু প্ৰতীক্ষিত ৰাম মন্দিৰৰ অভিষেকলৈ মাজত আৰু মাত্ৰ কেইটামান দিনহে বাকী। এনে সময়তে দক্ষিণৰ এই ছবিখনক লৈ সূত্ৰপাত ঘটা বিতৰ্কই সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ পূৰ্বে পৰিকল্পিতভাৱে এনেদৰে ছবিখন নিৰ্মাণ কৰি মুক্তি দিয়া হৈছে বুলিও একাংশই দাবী কৰিছে। আনহাতে সমগ্ৰ বিতৰ্কক লৈ সামাজিক মাধ্যমতো এতিয়া দুটা ভাগত বিভক্ত হৈ পৰিছে নেটিজেনসকল।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান